NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ইটালীৰ অ'পুলিয়ালৈ বুলি ৰাওনা হৈছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, চৰকাৰে পৰৱৰ্তী পাঁচ বছৰত দেশৰ প্ৰতিৰক্ষা ৰপ্তানি ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

৩। চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে আয়োজিত **নীট ইউ জিত** গ্ৰেছ্ মাৰ্ক লাভ কৰা এহেজাৰ ৫৬৩ গৰাকী প্ৰাৰ্থীৰ পৰীক্ষা ২৩ জুনত পুনৰ অনুষ্ঠীত হ'ব।

৪। বিজেপিৰ জ্যেষ্ঠ নেতা পেমা খান্দুৱে আজি একেৰাহে তৃতীয়বাৰৰ বাবে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

***আৰু***

৫। ভাতৰ এইচ এছ প্ৰণয় আৰু সমীৰ বাৰ্মা অষ্ট্ৰেলিয়ান অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলচৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ইটালীৰ অ'পুলিয়ালৈ বুলি ৰাওনা হৈছে। যাত্ৰাৰ পূৰ্বে দিয়া এটা বিবৃতিত শ্ৰী মোদীয়ে কয় যে, ভাৰত আৰু ইটালীৰ মাজৰ কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ লগতে ভাৰত প্ৰশান্ত মহাসাগৰীয় আৰু ভূমধ্য সাগৰীয় অঞ্চলৰ মাজত থকা সহযোগিতা সুদৃঢ় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধ পৰিকৰ। শ্ৰী মোদীয়ে কয় যে, একেৰাহে তৃতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হৈছে তেওঁৰ প্ৰথমটো বিদেশ ভ্ৰমণ। তেওঁ কয় যে, যোৱা বছৰ ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰ্জিয়া মেল'নিৰ ভাৰত ভ্ৰমণে দেশ দুখন মাজৰ দ্বিপাক্ষীক সহযোগিতা আৰু অধিক সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছিল। তেওঁ কয় যে এই সন্মিলনৰ সময়ছোৱাত কৃত্ৰিম বুদ্ধিমত্তা, শক্তি, আফ্ৰিকা, ভূ-মধ্যসাগৰীয় অঞ্চলৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, চৰকাৰে পৰৱৰ্তী পাঁচ বছৰত দেশৰ প্ৰতিৰক্ষা ৰপ্তানি ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি বিজেপি নেতাগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতে ইতিমধ্যে ২১ হাজাৰ কোটিৰো অধিক টকা

মূল্যৰ প্ৰতিৰক্ষা আহিলাপাতি ৰপ্তানি কৰিছে আৰু এয়া সঁচাকৈয়ে ঐতিহাসিক ঘটনা। শ্ৰী সিঙে কয় যে, চৰকাৰে এখন শক্তিশালী আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়ি তুলিব খোজে আৰু দেশৰ সুৰক্ষা তথা সুৰক্ষা বাহিনী সমূহৰ কল্যাণ তেওঁৰ বাবে সদায় অগ্ৰাধিকাৰৰ বিষয় হৈ থাকিব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে মন্ত্ৰ্যালয়ৰ প্ৰথম ১০০ দিনৰ কাৰ্যপৰিকল্পনা সম্পৰ্কীয় পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত শ্ৰী সিঙে প্ৰাক্তন সৈনিক কল্যাণ বিভাগৰ সৈতে জড়িত বিভিন্ন বিষয় সম্পৰ্কে মত প্ৰকাশ কৰি প্ৰাপ্তন সৈনিকসকলৰ কল্যাণত গুৰুত্ব আৰোপ কৰে। ভাৰত মহাসাগৰ অঞ্চলৰ বৰ্ধিত কৌশলগত গুৰুত্বৰ ওপৰত আলোকপাত কৰি প্ৰতিক্ষা মন্ত্ৰীগৰাকীয়ে এইবাৰৰ কাৰ্যকালৰ প্ৰথমটো যাত্ৰাৰ বাবে বিচাখাপট্টনমত থকা নৌ সেনাৰ কামাণ্ডক বাচনি কৰে।

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কিঞ্জৰাপু ৰামমোহন নাইডুই আজি নতুন দিল্লীত মন্ত্ৰ্যালয়ৰ দায়িত্ব গ্ৰহণ কৰে। শ্ৰী নাইডুৱে কয় যে, বিমান সেৱা সুচল কৰি তোলাটো তেওঁৰ সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয় হ'ব। বিমান ভাৰা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰা হ্ৰাস কৰাত আৰু বিমান যাত্ৰা বহনসাধ্য কৰি তোলাত গুৰুত্ব আৰোপ কৰিব।

oooooooo

২০২৪-২৫ বৰ্ষৰ নিয়মীয়া কেন্দ্ৰীয় বাজেটৰ প্ৰস্তুতি আৰম্ভ হৈছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি বিত্তমন্ত্ৰ্যালয়ৰ দায়িত্ব গ্ৰহণ কৰিছে আৰু এই সন্দৰ্ভত জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈছে।

oooooooo

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে আয়োজিত ৰাষ্ট্ৰীয় যোগ্যতা নিৰ্দ্ধপন তথা প্ৰৱেশ পৰীক্ষা **নীট ইউ জিত** গ্ৰেছ মাৰ্ক লাভ কৰা এহেজাৰ ৫৬৩ গৰাকী প্ৰাৰ্থীৰ পৰীক্ষা ২৩ জুনত পুনৰ অনুষ্ঠীত হ'ব। ৰাষ্ট্ৰীয় পৰিক্ষণসংস্থাই আজি জাৰি কৰা এখন অধিসূচনাত এই বুলি কোৱা হৈছে যে, সকলো শিক্ষাৰ্থীক এই বিষয়ে আনুষ্ঠীনিকভাৱে অৱগত কৰোৱাৰ উদ্দেশ্যে সংস্থাটোৱে শীৰ্ঘে এখন ৰাজহুৱা জাননী জাৰি কৰিব আৰু প্ৰাৰ্থীসকলৰ সৈতে ই-মেইল যোগে যোগাযোগ কৰিব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই কৈছে যে, সংস্থাটোৰ উচ্চ ক্ষমতাযুক্ত কমিটিত প্ৰতিবেদন সন্দৰ্ভত উচ্চতম ন্যায়ালয় কৰা মন্তব্য অনুসৰি পৰীক্ষা পুনৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু এহেজাৰ ৫৬৩ গৰাকী শিক্ষাৰ্থীক প্ৰদান কৰা গ্ৰেছ মাৰ্ক প্ৰত্যাহাৰ কৰা হৈছে।

ইপিনে, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে নীট উই জি পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা অভিযোগ খণ্ডন কৰিছে। নীট পৰীক্ষাৰ কোনো ধৰণৰ দুৰ্নীতি হোৱা নাই বুলি তেওঁ প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী প্ৰধানে নীট সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ প্ৰতি আদৰণি জনায়। নীট পৰীক্ষাৰ বিসংগতি সন্দৰ্ভত শ্ৰী প্ৰধানে কয় যে, পৰীক্ষাত সমস্যাৰ সৃষ্টি কৰাৰ বাবে জগৰীয়াসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। তেওঁ লগতে শিক্ষাৰ্থী আৰু অভিভাৱকসকলক এই বুলি আশ্বাস দিয়ে যে, কেন্দ্ৰীয় চৰকাৰ তেওঁলোকক ন্যায় প্ৰদানৰ বাবে বদ্ধ পৰিকৰ।

ইফালে, কংগ্ৰেছ দলে উচ্চতম ন্যায়ালয়ৰ নীৰিক্ষণত নীট পৰীক্ষা বিষয়টোৰ নিকা তদন্তৰ দাবী কৰিছে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই সামাজিক মাধ্যম যোগে নীট পৰীক্ষাত খেলিমেলি, দুৰ্নীতি আৰু পৰীক্ষাৰ প্ৰশ্নকাকত ফালিল হোৱা বুলি অভিযোগ উত্থাপন কৰিছে। তেওঁ কৈছে যে, তদন্তৰ দুষ্কৃতিকাৰীসকলক কঠোৰতম শাস্তি দিব লাগে আৰু শিক্ষাৰ্থীসকলৰ এবছৰ বিনষ্ট হোৱাৰ পাৰ ৰক্ষা কৰাৰ বাবে ক্ষতিপূৰণ প্ৰদান

কৰিব লাগে। চৰকাৰৰ কাৰ্যৰ বাবেই নীট পৰীক্ষাত অৱতীৰ্ণ ২৪ লাখ শিক্ষাৰ্থীৰ ভৱিষ্যতক লৈ বিপদাশংকাৰ সৃষ্টি হৈছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰী খাৰ্গে কয় যে, চৰকাৰে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ নাম লৈ নিজৰ দায়িত্বৰ পৰা দায় সাৰিব নোৱাৰে।

oooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা পেমা খান্দুৱে আজি একেৰাহে তৃতীয়বাৰৰ বাবে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। শ্ৰী খাণ্ডুৰ সৈতে আন ১৩ গৰাকী কেবিনেট মন্ত্ৰীয়েও শপত লয়। অৰুণাচল প্ৰদেশৰ ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল কে টি পাৰনায়কে তেওঁলোকক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। শপত গ্ৰহণ কৰা কেবিনেট মন্ত্ৰীসকলৰ ভিতৰত চাওনা মেইন, ব্যুৰাম বাগে, ন্যাটো ডুকাম, গেব্ৰিয়েল ডি ৱাংশুক, ৱাংগি লোৱাং, পি ডি চোনা, মামা নাটুং, শ্ৰীমতী দাংচাংগলু পুল, বাল' ৰাজা, কেণ্টজিনি আৰু অজিং তাচিং আছে। শপতগ্ৰহণ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডা, জ্যেষ্ঠ বিজেপি নেতা ৰবিশংকৰ প্ৰসাদ, অসম আৰু ছিকিমৰ মুখ্যমন্ত্ৰী, আৰু অৰুণাচল পূব সংসদীয় সমষ্টিৰ সাংসদ তাপিৰ গাৱকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিজেপিয়ে ৰাজ্যখনৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত ৰাজ্যখনৰ মুঠ ৬০ খন আসনৰ ভিতৰত ৪৬ খন আসনতে জয়লাভ কৰিছে।

oooooooo

জম্মু-কাশ্মীৰৰ ডোডা জিলাৰ গান্দোহৰ কোটা অঞ্চলত উগ্ৰপন্থী আৰু নিৰাপত্তাৰক্ষীৰ মাজত সংঘটিত গুলীয়াগুলী ঘটনাৰ পাছতে অঞ্চলটোত নিৰাপত্তাৰক্ষীৰ তালাচী অভিযান তীব্ৰতৰ হৈ তুলিছে। এই গুলীয়াগুলী ঘটনাত যোৱানিশা বিশেষ অভিযানকাৰী দলৰ এজন কনিষ্ঠবল আহত হৈছে। উগ্ৰপন্থীকেইটাক বিচাৰি উলিওৱাৰ বাবে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

যোৱা নিশাৰ সংঘৰ্ষৰ পাছত আৰক্ষীয়ে চাৰিটা সন্ত্ৰাসবাদীৰ ফটো মুকলি কৰি দিছে। এই সন্ত্ৰাসবাদী কেইটা ভাদেৰৱাহ, থাতৰি আৰু গান্দোাহ অঞ্চলত লুকাই থকা বুলি সন্দেহ কৰা হৈছে। সন্ত্ৰাসবাদীক আটক কৰাত সহায় কৰিব পৰা যিকোনো তথ্যৰ যোগান দিয়াসকলক ৫ লাখ টকাৰ পুৰস্কাৰ দিয়া হ'ব বুলি প্ৰকাশ কৰা হৈছে।

oooooooo

ভাতৰ বেডমিণ্টন খেলুৱৈ এইচ এছ প্ৰণয় আৰু সমীৰ বাৰ্মা অষ্ট্ৰেলিয়ান অ'পেন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলচৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছিডনীত আজি অনুষ্ঠিত ৰাউণ্ড অব ছিক্সটিনৰ এখন খেলত পঞ্চম বাছনিৰ প্ৰণয়ে কেৱল মাত্ৰ ৪৬ মিনিটত ইজৰাইলৰ মিশা জীল্‌বাৰমানক ২১-১৭, ২১-১৫ গেমত পৰাস্ত কৰে। আনখন খেলত সমীৰ বাৰ্মাই অষ্টম বাচনিৰ ছিংগাপুৰৰ লো কিয়ান য়ুইক ২১-১৪, ১৪-২১, ২১-১৯ গেমত পৰাস্ত কৰে। পৰৱৰ্তী ৰাউণ্ডত কাইলৈ প্ৰণয়ে দ্বিতীয় বাছনিৰ জাপানৰ কোদায় নাৰ'ৱাকাৰ বিৰুদ্ধে খেলিব। আনহাতে সমীৰ বাৰ্মা চীনাটাইপে ছু-ই-লিনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে মহিলাৰ ছিংগলছ কোৱাৰ্টাৰ ফাইনেলত আকৰ্ষি কাশ্যপে অষ্ট্ৰেলিয়াৰ কাই কি তিয়ৰ বিৰুদ্ধে জয়লাভ কৰিছে।

০০০০০০০০

বাংলাদেশ আজি ৱেষ্ট ইণ্ডিজৰ কিংষ্টনত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্রিকেট প্রতিযোগিতাৰ  এখন খেলতনেডাৰলেণ্ডছৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ইপিনে ৱেষ্ট ইণ্ডিজে আজি পুৱা ত্রিনিদাদৰ ব্রায়ান লাৰা ষ্টেডিয়ামত অনুষ্ঠিত প্রতিযোগিতাৰ এখন খেলত নিউজিলেণ্ডক ১৩ ৰানত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ৱেষ্ট ইণ্ডিজে প্রতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰে। খেলখনত ৱেষ্ট ইণ্ডিজে প্রথমে বেট ধৰাৰ আমন্ত্রণ লাভ কৰি নির্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৪৯ ৰান কৰে। ৱেষ্ট ইণ্ডিজৰ হৈ শ্বেৰফিন ৰাডাৰফ'ৰ্ডে ৩৯ টা বলত ৬৮ ৰান কৰি অপৰাজিত হৈ থাকে। নিউজিলেণ্ডৰ ট্রেণ্ট বল্টে□তিনিটা উইকেট দখল কৰে। প্রত্যুত্তৰত নিউজিলেণ্ডে  ২০ অ'ভাৰত ৯টা উইকেটৰ বিনিময়ত ১৩৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৱেষ্ট ইণ্ডিজৰ হৈ অল্জাৰি যোচেফে চাৰিটা উইকেট দখল কৰাৰ বিপৰীতে গুদাকেছ্ মোটিয়ে তিনিটা উইকেট উইকেট লাভ কৰে।

০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী চাৰিৰ পৰা পাঁচ দিনলৈ উত্তৰ-পূৰ্বাঞ্চল, পশ্চিমবংগৰ হিমালয়ৰ দাঁতিকাষৰীয়া অঞ্চল আৰু ছিকিমত ধাৰাসাৰ বৰষুণ দিব পাৰে বুলি আগলি বতৰা দিছে। বিভাগে লগতে উত্তৰপ্রদেশ, বিহাৰ, ঝাৰখণ্ডত গ্রীষ্ম প্রবাহৰ প্রকোপ বৃদ্ধি পাব পাৰে বুলি সকিয়াই দিছে। বিভাগটোৱে কৈছে যে, উত্তৰ প্রদেশত পৰৱৰ্তী ৩-৪ দিনৰ বাবে, ঝাৰখণ্ডত তিনি দিনৰ বাবে আৰু বিহাৰত পৰৱৰ্তী দুদিন পৰ্যন্ত গ্রীষ্ম প্রবাহ অব্যাহত থাকিব পাৰে।

০০০০০০০০

সমাপ্ত